**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ অৰ্থনৈতিক ভাগ্য নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

২। কেন্দ্ৰীয় চৰকাৰে আজি দেশৰ অসামৰিক সন্মান সমূহ ঘোষণা কৰিছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

৩। সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

*আৰু*

৪। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত অনুষ্ঠিত হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি দেশৰ অৰ্থনৈতিক ভাগ্য নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰীৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ গোলকীয় পৰ্যায়ত নিজৰ স্থিতি সৰল কৰা তথা দেশক উদ্ভাসিত কৰাৰ বাবে দেশৰ যুৱ উদ্যমী, ক্ৰীড়াবিদ, বিজ্ঞানী আৰু বৃত্তিধাৰীসকলক প্ৰশংসা কৰিছে। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধিয়া আজি দেশবাসীক সম্বোধন কৰি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে ভাৰতক বিশ্বৰ সৰ্বাধিক যুৱ জনসংখ্যা থকা দেশ হিচাপে উল্লেখ কৰি কয়, যে দেশৰ যুৱ প্ৰজন্মৰ ভালেমান প্ৰতিভা আছে। তেওঁ আত্মসংস্থাপনেৰে দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয়ভাৱে সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে গোলকীয় অনিশ্চয়তাৰ সত্বেও ভাৰতৰ অৰ্থনৈতিক বিকাশ অব্যাহত আছে বুলি প্ৰকাশ কৰে। তেওঁ ভাৰতক বিশ্বৰ দ্ৰুত গতিত বৃদ্ধি হোৱা অৰ্থনীতি বুলি অভিহিত কৰে। বিশ্বৰ তৃতীয় অৰ্থব্যৱস্থাৰ দেশ হিচাপে ভাৰত অগ্ৰসৰ হৈছে বুলি তেওঁ ভাষণত উল্লেখ কৰে। সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্তৰ সন্দৰ্ভত তেওঁ কয়, যে এই পদক্ষেপে ভাৰতৰ অৰ্থনীতি অধিক সুদৃঢ় কৰিব। চৰকাৰে অলপতে কৰা শ্ৰম সংস্কাৰৰ জৰিয়তে শ্ৰমিকসকল উপকৃত হ'ব বুলি মন্তব্য কৰে। ৰাষ্ট্ৰ প্ৰথম অৱধাৰণা আৰু মেক ইন ইণ্ডিয়াক অধিক গৌৰৱান্বিত কৰাৰ বাবে সকলোকে একেলগে কাম কৰাৰ প্ৰতি তেওঁ আহ্বান জনায়। গণৰাজ্য দিৱস উদযাপনে দেশপ্ৰেমৰ ভাব অধিক সুদৃঢ় কৰাৰ সুবিধা প্ৰদান কৰে বুলি তেওঁ উল্লেখ কৰে। বৃহৎ গণতন্ত্ৰৰ দেশ হিচাপে ভাৰতৰ সংবিধানক বিশ্বৰ ইতিহাসত মৌলিক নথি বুলি তেওঁ উল্লেখ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে আজি দেশৰ অসামৰিক সন্মান সমূহ ঘোষণা কৰিছে। দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। এইবাৰৰ অসামৰিক বঁটা লাভ কৰা সকলৰ ভিতৰত ১৯ গৰাকী মহিলা আছে। উল্লেখযোগ্য যে ১৬ গৰাকী ব্যক্তিক এইবাৰ মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হৈছে। কলাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বলিউদৰ প্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ সিং দেউলক মৰণোত্তৰভাৱে পদ্ম বিভূষণ আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে কেৰালাৰ কে টি থমাছ, কলাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা উত্তৰ প্ৰদেশৰ এন ৰাজম, সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা কেৰালাৰ পি নাৰায়ণন লৈ পদ্ম বিভূষণ বঁটা আগবঢ়োৱা হৈছে। কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভি এছ্ অচ্যুতানন্দন ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে মৰণোত্তৰভাৱে দেশৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান আগবঢ়োৱা হৈছে।

গায়িতা অলকা য়াগনিক, উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভগত সিং কোচিয়াৰি, তামিলনাডুৰ কাল্লিপট্টি ৰামাস্বামী পলনিস্বামী, কেৰালাৰ অভিনেতা মাম্মুটিলৈ পদ্ম ভূষণ সন্মান আগবঢ়োৱা হৈছে। বিশিষ্ট ৰাজনীতিবিদ তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেনক মৰণোত্তৰভাৱে পদ্ম ভূষণ আগবঢ়োৱা হৈছে।

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিকে ধৰি দেশৰ মুঠ ১৩১ গৰাকী ব্যক্তিলৈ চলিত বছৰৰ পদ্ম সন্মান আজি ঘোষণা কৰা হৈছে। সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

০০০০

সমগ্ৰ দেশতে কাইলৈ ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ইয়াৰ পাছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন আৰু ২১ জাই টোপধ্বনিৰে সম্ভাষণ জনোৱা হ'ব। গণৰাজ্য দিৱস উপলক্ষে কৰ্তব্যপথত হ'বলগীয়া পেৰেডত সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথি উপস্থিত থাকিব। এইবাৰৰ দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লিয়েন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। এইবাৰৰ পেৰেডত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব। ভৌগোলিক সূচ্যাংকৰ স্বীকৃতি লাভ কৰা এই শিল্প এইবাৰৰ পেৰেডত দেশবাসীৰ সন্মুখত উজ্বলি উঠিব।

অসমৰ প্ৰতিখন জিলাতে গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। গুৱাহাটীৰ খানাপাৰত থকা অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই পুৱা ৯ বজাত গণৰাজ্য দিৱসৰ পতাকা উৰুৱাব। ডিব্ৰুগড় জিলাৰ খনিকৰ খেলপথাৰত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পতাকা উৰুৱাব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে যুৱ প্ৰজন্মক নেতৃত্ব ল'বলৈ আহ্বান জনাইছে। পুডুচেৰীৰ কাৰাইকালত আজি ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানত বিকশিত ভাৰত যুৱ নেতা সন্মিলনত ভাষণ প্ৰসংগত তেওঁ দেশৰ স্বাধীনতাৰ ১০০ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত

বিকশিত ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী মোদীৰ বিকশিত ভাৰতৰ লক্ষ্যৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এক লাখ যুৱ নেতাক গঢ়ি তোলাৰ ওপৰত মত প্ৰকাশ কৰে। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে কাৰাইকাল জিলা ক্ৰীড়া ষ্টেডিয়ামৰ চিন্থেটিক এথলেটিকছ্ ট্ৰেক মুকলি কৰে।

০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে, দিনদয়াল অন্তোদয়া যোজনা আৰু ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযানৰ অধীনত মহিলা আত্মসহায়ক গোটক ১২ লাখ কোটিৰো অধিক টকাৰ ঋণ বিতৰণ কৰা হৈছে। শ্ৰী চৌহানে আজি নতুন দিল্লীত **সমৃদ্ধি দিদি ছে সমৃদ্ধি ৰাষ্ট্ৰ** নামৰ কাৰ্যসূচীত লাখপতি দিদিৰ সম্বৰ্ধনা অনুষ্ঠানত  উপস্থিত থাকি এই কথা প্ৰকাশ কৰে। কেন্দ্ৰীয় চৰকাৰে এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচী প্ৰত্যক্ষ কৰাৰ বাবে লাখপতি দিদিক বিশেষ অতিথি হিচাপে নিমন্ত্ৰণ কৰিছে। শ্ৰী চৌহানে লগতে জানিবলৈ দিয়ে যে, বৰ্তমান ১০ কোটি মহিলা আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ আছে আৰু কেন্দ্ৰীয় চৰকাৰে তিনি কোটি মহিলাক লাখপতি দিদি হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। মন্ত্ৰালয়ৰ ভৱিষ্যতৰ পৰিকল্পনাৰ কথা উল্লেখ কৰি তেওঁ কয়, যে আন্তঃগাঁথনি আৰু প্ৰশিক্ষণৰ বাবে অতিৰিক্ত আঠ লাখ কোটি টকা প্ৰদান কৰা হৈছে আৰু মহিলাসকলে এতিয়া সহজতে ব্যক্তিগত ঋণ ল'ব পৰাৰ সুবিধা হৈছে। মহিলাসকলে উৎপাদন কৰা সামগ্ৰীসমূহ বিপণন কৰাৰ বাবে দেশৰ সকলো ৰাজ্যতে **সৰছ মেলা**ৰ মেলাৰ আয়োজন কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। তেওঁ গ্ৰামোন্নয়নৰ বাবে মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্যৰে চৰকাৰী আঁচনিসমূহত আৰু অধিক মহিলাক অন্তৰ্ভুক্ত কৰিবলৈ লাখপতি দিদিসকলৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত গ্ৰামোন্নয়নৰ ৰাজ্য মন্ত্ৰী ড০ চন্দ্ৰশেখৰ পেম্মাচানী উপস্থিত থাকে। তেওঁ কয়, যে দেশৰ মুঠ ঘৰুৱা উৎপাদনত প্ৰায় ১৮ শতাংশ মহিলাসকলে অৱদান আগবঢ়াইছে। ইয়াৰ লগতে তিনি ভাগৰ এভাগ ক্ষুদ্ৰ, লঘূ আৰু মজলীয়া উদ্যোগ মহিলাসকলে দখল কৰিছে আৰু ষ্টাৰ্টআপৰ ক্ষেত্ৰত প্ৰায় ১০ শতাংশ মহিলাসকলে অধিকাৰ কৰিছে।

০০০০

বিশিষ্ট সাংবাদিক তথা প্ৰখ্যাত ব্ৰডকাষ্টাৰ মাৰ্ক টুলিৰ আজি নতুন দিল্লীত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯০ বছৰ। ১৯৩৫ চনৰ ২৪ অক্টোবৰত কলিকতাত তেওঁ জন্ম হৈছিল। ভাৰতৰ সংবাদদাতা হিচাপে তেওঁ ৬০ দশকত বিবিচিত যোগদান কৰিছিল। তেওঁ দুটা দশকৰো অধিক কাল নতুন দিল্লীত ব্যুৰো ছিফ হিচাপে দায়িত্ব পালন কৰিছিল।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি কৈছে যে, ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত বিগত বৰ্ষৰ পৰা গঠনমূলক যোগাযোগ অব্যাহত থকাৰ ফলত ইউৰোপীয় সংঘৰ সৈতে ফলপ্ৰসূ নিকট সম্বন্ধ গঢ়ি উঠিছে। ইউৰোপীয় আয়োগৰ বাণিজ্যৰ আয়ুক্ত মাৰ'ছ্ ছেফক'ভিকক ভাৰতলৈ আদৰণি জনাই শ্ৰী গোৱেলে কয়, যে অৰ্থনৈতিক আৰু কৌশলগত দিশত ইউৰোপীয় সংঘ ভাৰতৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। তেওঁ ব্যৱসায় আৰু জনসাধাৰণৰ সমৃদ্ধিৰ বাবে ইউৰোপীয় সংঘৰ সৈতে ফলপ্ৰসূ পাৰস্পৰিক বুজাবুজিৰে অভিলাসী মুক্ত বাণিজ্য চুক্তি সম্পাদন কৰাৰ দায়বদ্ধতাৰ কথা দোহাৰে।

০০০০

ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' লুইছ্ ছান্তোষ দ্যা কোস্তা আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভন দ্যা লায়নক আজি নতুন দিল্লীৰ বিমান বন্দৰত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণ মৰ্মে দুয়োগৰাকী নেতা ভাৰত ভ্ৰমণলৈ আহিছে। শ্ৰী কোস্তা আৰু শ্ৰীমতী লায়ন কাইলৈ নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ভ্ৰমণকালত নেতাদুগৰাকীয়ে ভাৰত ইউৰোপীয় সংঘৰ মাজত কৌশলগত সহযোগিতাৰ পৰৱৰ্তী কাৰ্যকলাপ সন্দৰ্ভত আলোচনা কৰিব।পাৰস্পৰিক বিশ্বাস আৰু নীতিৰ আধাৰত ভাৰত আৰু ইউৰোপীয় সংঘই সম্পৰ্ক বৰ্তাই ৰাখিছে।

oooo

ঃঃ সমাপ্ত ঃঃ